ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

# ভাৰতীয় পৰম্পৰাগত জ্ঞান ব্যৱস্থা ঃ প্ৰত্যাশা আৰু প্ৰত্যাহ্বানঃ এক তাত্ত্বিক বিশ্লেষণ

— ড° অমৰজ্যোতি ভৰালী
সহযোগী অধ্যাপক
বাহনা মহাবিদ্যালয়
ই-মেইল্ ঃ amarjyotib20@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

'অতীত আৰু সাম্প্ৰতিক সময়ৰ ভিত্তিত ভাৰতীয় পৰম্পৰাগত জ্ঞান ব্যৱস্থা ঃ প্ৰত্যাশা আৰু প্ৰত্যাহ্বানঃ এক তাত্ত্বিক বিশ্লেষণ' - এই লেখনিৰ দ্বাৰা যুৱ প্ৰজন্মৰ মাজত প্ৰাচীন যুগত ভাৰতীয় জ্ঞান ব্যৱস্থা অৰ্থাৎ জ্ঞানৰ আদান প্ৰদানৰ ব্যৱস্থা কেনেকুৱা আছিল, সেই বিষয়ে আলোচনা কৰা হৈছে। তদুপৰি বৰ্তমান অৰ্থাৎ একবিংশ শতিকাত অত্যাধুনিক যুগত ভাৰতীয় জ্ঞানৰ পৰম্পৰাই কি ৰূপ ধাৰণ কৰিছে,তাৰ এটি চমু তাত্ত্বিক তথা বিশ্লেষণাত্মক ব্যাখ্যাৰ লগতে এই পৰিৱৰ্তনৰ পৰিসীমাৰ মাজত মানৱীয় প্ৰমূল্যৰ নৈতিক, আবেগিক, মানসিক আৰু আধ্যাত্মিক দিশত যি উত্থান পতন ঘটিছে বা পৰিৱৰ্তন হৈছে, সেয়াও আলোচনা কৰা হৈছে।

***বীজ শব্দ ঃ*** *প্ৰাচীন, পৰম্পৰাগত, জ্ঞান ব্যৱস্থা, আত্ম উপলব্ধি, বেদান্ত, আত্মা, জগত, মায়া।*

**আৰম্ভণি ঃ**

ভাৰতীয় পৰম্পৰাগত জ্ঞানৰ উৎপত্তি আৰু ইয়াৰ উন্নয়নৰ গতিধাৰা বিশ্লেষণ কৰিবলৈ হ'লে আমি প্ৰাচীন বৈদিক জ্ঞানৰ পৰা আৰম্ভ কৰিব লাগিব। চাৰিবেদৰ আৰম্ভণিৰে পৰা ভাৰতীয় জ্ঞান সম্প্ৰসাৰণৰ পৰ্ব আৰম্ভ হৈছিল বুলি ক'লেও ভুল কোৱা নহ'ব। অপৈণত বালক বালিকাই নিজৰ পিতৃ-মাতৃ তথা পৰিয়ালৰ পৰা বিচ্ছিন্ন হৈ জীৱনৰ প্ৰাৰম্ভিক ১২ বছৰ কাল গুৰু গৃহত গুৰু পৰিয়ালৰ অভিন্ন অংশ স্বৰূপে আছিল। গুৰুসকলেও শিষ্যসকলক স্বীকৃতি প্ৰদান কৰি কণ কণ শিশুসকলক মৌখিকভাৱে বেদৰ শ্লোকবোৰ মুখস্থ কৰা আৰু তাৰ অৰ্থ হৃদয়ঙ্গম কৰাৰ ওপৰত গুৰুত্ব দিছিল। বিশ্বৰ প্ৰাচীনতম গ্ৰন্থ হিচাপে চাৰিবেদ অৰ্থাৎ ঋকবেদ, যৰ্জুবেদ, সামবেদ আৰু অথৰ্ববেদ আছিল জ্ঞানৰ আধাৰ। বেদৰ অৰ্থই হ'ল বিদ্যা বা জ্ঞান। সেইবাবে বেদসমূহক জ্ঞানৰ ভঁৰাল আখ্যা দিয়া হৈছিল।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

১। নৱ প্ৰজন্ম তথা ব্যক্তিৰ মাজত বেদান্ত দৰ্শনৰ তাৎপৰ্য সম্পৰ্কে অৱগত কৰা।
২। শংকৰাচাৰ্যৰ বেদান্ত দৰ্শনৰ ধাৰণা সম্পৰ্কে আলোকপাত কৰা।
৩। ভাৰতীয় জ্ঞানৰ প্ৰাচীনত্ব সম্পৰ্কে আলোকপাত কৰা।
৪। ব্ৰহ্ম, আত্মা, জগত আৰু মায়াৰ ধাৰণা সম্পৰ্কে আলোকপাত কৰা।

**অধ্যয়নৰ পদ্ধতি ঃ**

অধ্যয়নৰ পদ্ধতি হিচাপে এই লেখনিত লেখকৰ সম্পূৰ্ণ ব্যক্তিগত অভিজ্ঞতাৰ আধাৰত আৰু বৈদিক দৰ্শনক বুনিয়াদ হিচাপে গ্ৰহণ কৰি বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

**অধ্যয়ন বা লেখনিৰ পৰিসৰ ঃ**

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

এই বিশ্লেষণমূলক লেখনিৰ আওতালৈ ভাৰতীয় জ্ঞান পৰম্পৰাৰ প্ৰাচীন আৰু বৰ্তমানৰ বিভিন্ন অৱস্থাৰ উপৰিও ব্যক্তিগত কিছু অভিজ্ঞতাৰ দ্বাৰাও জ্ঞানৰ কেতবোৰ দিশৰ আলোচনাক অনা হৈছে।

এই চাৰিবেদৰ আধাৰত বিভিন্ন বিষয়বস্তু লৈ কাব্য বা গদ্য ৰচনা কৰা হৈছিল আৰু পৰৱৰ্তী সময়ত সেইসমূহক একো একোটা দাৰ্শনিক মতবাদ হিচাপে স্বীকৃতি দিয়া হৈছিল। যেনে মীমাংসা, বেদান্ত, উপনিষদ, সাংখ্য দৰ্শন, যোগ দৰ্শন, ন্যায় দৰ্শন, ন্যায় সংহিতা, বৈশেষিক দৰ্শন ইত্যাদি। 'ভাৰতীয় দৰ্শনক প্ৰধানতঃ বহলভাৱে দুটা ভাগত ভাগ কৰিব পাৰি, সেয়া হ'ল আস্তিক আৰু নাস্তিক।' (বৰুৱা, দাস, আৰু কলিতা, ২০১৯) বেদৰ বিৰোধিতা কৰা সকলে নাস্তিক বা অবৈদিক দৰ্শন যেনে চাৰ্বাক দৰ্শন, বৌদ্ধ দৰ্শন, জৈন দৰ্শন আদিৰ সৃষ্টি কৰিছিল।

প্ৰাচীন ভাৰতীয় পৰম্পৰাগত জ্ঞানৰ আধাৰত শিশুসকলক আত্ম উপলব্ধি কৰিবলৈ নৈতিক প্ৰমূল্যৰ শিক্ষা দিয়াৰ উপৰিও চৰিত্ৰ গঠন, সাংস্কৃতিক বিকাশ, বৈদিক পৰম্পৰা সংৰক্ষণ আৰু সামাজিক মূল্যবোধৰ জ্ঞান দিয়া হৈছিল। ব্ৰহ্মচৰ্য ব্ৰত পালনৰ লগতে গুৰু আৰু সমাজৰ প্ৰতি দায়বদ্ধতা আৰু নৈতিক দায়বদ্ধতা ইত্যাদি জীৱনৰ সকলো গুৰুত্বপূৰ্ণ দিশত বিকাশ সাধন কৰিবলৈ যত্ন কৰা হৈছিল। বেদৰ আধাৰত প্ৰদান কৰা শিক্ষাই কেৱল ভাৰতবৰ্ষতেই যে সমাদৰ লাভ কৰিছিল তেনে নহয়, বিশ্বৰ বহুতো দেশে সততা, নৈতিকতা, মানবতা, দয়া, ক্ষমা, সহায়, সহযোগিতা, সহানুভূতিশীলতা, অহিংসা, মমতা, মহানুভৱতা, ইত্যাদি গুণাৱলীৰ আঁকোৰালি লৈছিল আৰু সেইসমূহ নিজৰ জীৱন ব্যৱস্থাৰ লগত একাকাৰ কৰি তুলিবলৈ প্ৰয়াস কৰিছিল।

ভাৰতীয় জ্ঞান ব্যৱস্থাত বৈদিক দৰ্শনৰ পাছতে বেদানুগত্য দৰ্শন যেনে মীমাংসা, বেদান্ত আদি আৰু বেদ স্বতন্ত্ৰ দৰ্শন আদিয়েও ভাৰতীয় জ্ঞান ব্যৱস্থাত সুদূৰ প্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰাৰ উপৰিও সমগ্ৰ বিশ্বতে সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। বেদান্ত শব্দৰ শব্দগত অৰ্থ হৈছে বেদৰ অন্ত বা শেষ। অভিধানিক অৰ্থত বেদ শব্দৰ অৰ্থ হৈছে জ্ঞান। জ্ঞানৰ অন্ত বা চৰম জ্ঞান, Ultimate knowledge or end of knowledge ঠিক সেইদৰে উপনিষদত অস্পষ্ট দাৰ্শনিক চিন্তাক স্পষ্ট ৰূপত ব্যাখ্যা কৰা কাৰ্যক বুজায়। প্ৰকৃতাৰ্থত শিক্ষা বা জ্ঞাননো কি? ঋক বেদত শিক্ষা বা জ্ঞান সম্পৰ্কে এনেদৰে কোৱা হৈছে -'ই এনে এক প্ৰক্ৰিয়া যি মানুহক আত্মবিশ্বাসী আৰু আত্মত্যাগী কৰি তোলে।' উপনিষদৰ মতে, শিক্ষাৰ অন্তিম পৰিণতি হ'ল মুক্তি লাভৰ উপায়। অৰ্থাৎ 'স্বা বিদ্যা য়া বিমুক্তয়ে'। শংকৰাচাৰ্যৰ মতে, শিক্ষা হ'ল আত্ম উপলব্ধি আৰু মানৱ সেৱা। ঠিক সেইদৰে স্বামী বিবেকানন্দই শিক্ষাক সুপ্ত অন্তৰ্নিহিত প্ৰতিভা বিকাশ, ৰবীন্দ্ৰনাথ ঠাকুৰে শিক্ষাক চৰম সত্যক বিচাৰি উলিওৱা কাৰ্য, ঋষি অৰবিন্দই শিক্ষাক মানুহৰ বিকাশমুখী আত্মাৰ অন্তৰ্নিহিত সত্বাৰ বিকাশ, মহাত্মা গান্ধীয়ে দেহ মন আৰু আত্মাৰ পৰিপূৰ্ণ বিকাশেই শিক্ষা বুলি নিজৰ মন্তব্য আগবঢ়াইছে।

পাশ্চাত্য চিন্তাবিদ, দাৰ্শনিক তথা শিক্ষাবিদসকলৰ মতে শিক্ষাৰ ধাৰণা তেওঁলোকৰ জীৱন পৰিক্ৰমাৰ সময়সীমাৰ বিষয়ে সন্ধান কৰিলে অনুভৱ কৰিব পাৰি যে ভাৰতীয়সকলে আগবঢ়োৱা শিক্ষা বা জ্ঞানৰ ধাৰণা কিমান পুৰণি আৰু পশ্চিমীয়া চিন্তাবিদসকলে আগবঢ়োৱা শিক্ষাৰ সংজ্ঞাৰ মাজত কি বিষয়বস্তুক আধাৰ হিচাপে গ্ৰহণ কৰা হৈছে। বিশেষকৈ শিক্ষা মনোবিজ্ঞানী পেষ্টালজী, দাৰ্শনিক জন ডিউই, শিক্ষাবিদ ৰেমণ্ট, শিক্ষাবিদ পাৰ্চি নান, থমচন, জন আদামছ আদিয়ে আগবঢ়োৱা শিক্ষাৰ সংজ্ঞাই যথেষ্ট ব্যাপক দিশক সাঙুৰি লৈছে।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

এতিয়া বেদান্ত দৰ্শনক কেন্দ্ৰ কৰি ভাৰতীয় জনসমাজত প্ৰচলিত ধাৰণা আৰু এই দৰ্শনৰ আধাৰত প্ৰতিষ্ঠিত প্ৰাশ্চাত্য সমাজৰ জীৱনশৈলী সম্পৰ্কে কিছু কথা আলোকপাত কৰোঁ। অৱশ্যে সকলো দাৰ্শনিকৰ কথা এটা লেখনিত সামৰা সম্ভৱ নহয়। কেৱল মাত্ৰ শংকৰাচাৰ্যৰ অষ্টদূত বেদান্ত দৰ্শনৰ বিশ্লেষণ এই আলোচনাত সামৰিবলৈ যত্ন কৰা হৈছে।

শংকৰাচাৰ্যই প্ৰৱৰ্তন কৰা বেদান্ত দৰ্শনক অদ্বৈত বেদান্ত নামেৰে জনা যায়। এই দৰ্শনৰ মূলমন্ত্ৰ হৈছে-ব্ৰহ্মই একমাত্ৰ সত্য, জীৱন, জগত আৰু মায়া সম্পূৰ্ণ মিছা বা অলীক। জীৱন যদিও মিছা জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত প্ৰাণ বা আত্মাই হ'ল ব্ৰহ্মাৰ অংশ। ব্ৰহ্মাৰ পবিত্ৰ ৰূপেই হ'ল পৰম ব্ৰহ্ম অৰ্থাৎ supreme soul ।জীৱাত্মাৰ সৈতে ব্ৰহ্ম থাকে যদিও জগত আৰু মায়াৰ দ্বাৰা ইন্দ্ৰিয়ানুভূতিক (Empirical) বিচিত্ৰ জগতখনৰ কোনো পাৰমাৰ্থিক সত্বা নাই। এই জগতখন কেৱল ব্যৱহাৰিক দিশৰ পৰাহে সত্য। জীৱ আৰু ব্ৰহ্ম অভিন্ন বা একেই কিন্তু জীৱন ভিন্ন। দেহৰ ভিতৰত অৱস্থিত প্ৰাণেই হ'ল জীৱ আৰু সেই জীৱৰ আশ্ৰয়স্থল অৰ্থাৎ দেহবিশিষ্ট জীৱই হ'ল জীৱন। সেইবাবেই ব্ৰহ্মাৰ স্বৰূপ দুটা দিশৰ পৰা বিবেচনা কৰিব পাৰি যেনে ব্যৱহাৰিক দিশ আৰু পাৰমাৰ্থিক দিশ। উদাহৰণস্বৰূপে ব্যৱহাৰিক দিশত যেতিয়া জীৱ এটা নাম বিশিষ্ট প্ৰজাতি যেনে অমৰৰ মাজত আৱদ্ধ হৈ থাকে তেতিয়া সকলো কৰ্ম অমৰৰূপী জীৱই কৰি থাকে কিন্তু সেই অমৰৰূপী দেহ যেতিয়া জীৱই ত্যাগ কৰে তেতিয়া সেই জীৱই পাৰ্থিৱ ৰূপ ত্যাগ কৰি পাৰমাৰ্থিক ৰূপ ধাৰণ কৰে। অৰ্থাৎ মৃত্যুৰ পাছত আমি জীৱধাৰী ব্যক্তিক (ব্ৰহ্ম) প্ৰাধান্য দিয়াৰ বিপৰীতে কেৱল আত্মাক (নিৰ্গুণ ব্ৰহ্ম) প্ৰাধান্য দিওঁ, যাতে বিদেহ আত্মাই চিৰশান্তি লাভ কৰে।

শংকৰাচাৰ্যৰ মতে এই নিৰ্গুণ ব্ৰহ্মই হ'ল শাশ্বত, নিৰ্বিকাৰ,অনন্ত আৰু অদ্বৈত। ই এক অবিনাশী সত্বা, ই এক শাশ্বত সত্য। সহজ ভাষাত ক'বলৈ গ'লে ব্ৰহ্ম সৎ, চিৎ আৰু আনন্দ স্বৰূপ অৰ্থাৎ ব্ৰহ্ম মিছা নহয় জড় বস্তু আৰু দুখস্বৰূপ নহয়। ইয়াৰ অৰ্থ হ'ল ব্ৰহ্ম এক বিশুদ্ধ সত্বা যি সৎ, চিৎ আৰু নিত্য তৃপ্ত; ই স্বয়ং সম্পূৰ্ণ সত্বা।

শংকৰাচাৰ্যৰ মতে পৰম ব্ৰহ্ম বা পৰম সত্বা সৰ্বব্যাপী আৰু অসীম। যি অসীম সি একাধিক হ'ব নোৱাৰে। গতিকে এই বিশ্বব্ৰহ্মাণ্ডত যদি ব্ৰহ্ম এক; ব্ৰহ্ম আৰু আত্মা অভিন্ন তেতিয়াহ'লে ব্ৰহ্মই আত্মা আৰু আত্মাই ব্ৰহ্ম। মানৱ ধৰ্মই সকলো ধৰ্মৰ উৰ্দ্ধত, নিস্বাৰ্থ মনেৰে জীৱক পূজিলে পূজা হ'ব সকলো দেৱতাৰ। কবি ডিম্বেশ্বৰ নেওগদেৱৰ কবিতাত শংকৰাচাৰ্যৰ এই পৰম ব্ৰহ্মাৰ একক সত্বা প্ৰকাশ পোৱা দেখা যায়। এতিয়া প্ৰশ্ন হ'ব পাৰে মই যদি স্বয়ং ভগৱান বা ঈশ্বৰ বা আল্লাৰ অংশ তেতিয়া হ'লে মই যি বিচাৰো সেইয়া পাব নালাগে জানো। সত্য, মই বিচৰাটো নিশ্চয় মই পাব লাগে বা পাম। কিন্তু মই বিচাৰিছোঁ কি? এই চাৰিটা প্ৰশ্নই তাৰ উত্তৰ। মোৰ আত্মা, প্ৰাণ বা জীৱ শুদ্ধ, তাত কোনো সন্দেহ নাই। কিন্তু সেই জীৱ আৰু আত্মাক আৱৰি আছে অন্যান্য কিছুমান তত্ব যেনে জগত, মায়া, ইন্দ্ৰিয়ানুভূতি, অবাঞ্চিত কামনা, অনুপযুক্ত পৰিৱেশ বা পৰিস্থিতি। চেতন মস্তিস্ক, ঈৰ্ষা, হিংসা, স্বাৰ্থন্ধতা, উচ্চাকাংক্ষা, বিবেকৰ হিত, বিলাস ইত্যাদি। মনে বিচৰা পাবলৈ গৈ আমি যে সততা, সন্তুষ্টি,সম্প্ৰীতি, শান্তি সমন্বয়, সংহতি, সৎভাৱনা,সৎ চিন্তা, নৈতিকতা, মানবতা আদিৰ দৰে কিছুমান গুৰুত্বপূৰ্ণ গুণাৱলী পাহৰোঁ, যাৰ বাবে আমি বিচৰাটো নাপাওঁ। এই বিশ্বব্ৰহ্মাণ্ডত কিছুমান প্ৰাকৃতিক নিয়মাৱলী মানি চলিবই লাগিব। আমি দৰ্শন অধ্যয়ন কৰোঁ কিন্তু নাজানো প্ৰকৃতাথৰ্তে দৰ্শন মানে কি। আমি যোগাসন কৰোঁ কিন্তু নাজানো যোগনো কি। আমি মনোবিজ্ঞান


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

অধ্যয়ন কৰোঁ কিন্তু আমি নাজানো মনোবিজ্ঞান মানেনো কি। ঠিক সেইদৰে বিদ্যা, শিক্ষা বা জ্ঞানৰ কথা কওঁ, তাৰ অৰ্থ, স্থান কাল আৰু প্ৰশ্নভেদে পৃথক। জ্ঞান বা knowledge হ'লে তথ্য সম্পৰ্কে অৱগত হয়। কিন্তু বিজ্ঞ, প্ৰজ্ঞা অৰ্থাৎ (wisdom) চমুকৈ ক'বলৈ গ'লে Knowledge is not the wisdom. Knowledge is just knowledge about factual information but the wisdom included knowledge, understanding, appreciation, analysis, synthesis, evaluation, recurring, responding, valuing, organizing, stimulating, manipulating, criterion, generalizing etc.

গতিকে আমি বিচৰাটো নোপোৱাৰ অন্তৰালত আছে বহু বাধাৰ প্ৰাচীৰ যাক আমি চমুকৈ তিনিটা শব্দত প্ৰকাশ কৰিব পাৰোঁ। সেয়া হ'ল মায়া, জগত আৰু মন।

ঋষি শংকৰাচাৰ্যৰ ভাষাত এই তিনিওটাৰে অৰ্থ এটা বা দুটা বাক্যৰ দ্বাৰা প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰা হৈছে। সংস্কৃতশব্দ 'মা' আৰু 'য়া' সংযুক্ত হৈ মায়াৰ সৃষ্টি হৈছে। মা মানে নহয় আৰু য়া মানে যিটো। অৰ্থাৎ আমি যি দেখিছোঁ, শুনিছোঁ, ভাবিছোঁ বা কৰিছোঁ সেইটো প্ৰকৃততে নহয় বা বাস্তৱত সি এক ভ্ৰম বা ভুল ধাৰণা। সহজ অৰ্থত জগতখন বা প্ৰাণী হিচাপে আমাৰ ভাৱনা কেৱল মাত্ৰ এক মায়া। শংকৰাচাৰ্যই তেওঁৰ অদ্বৈত বেদান্ত দৰ্শনত এই জগতখন মায়াৰ সৃষ্টি অৰ্থাৎ ভ্ৰম বুলি উল্লেখ কৰিছে। গৌতম বুদ্ধৰ বৌদ্ধ দৰ্শনৰ চাৰি আৰ্য সত্যত উল্লেখ কৰিছে যে মানৱ জীৱনত দুখ আছে, দুখৰ কাৰণ আছে, দুখৰ নিবাৰণ আছে আৰু দুখ নিবাৰণৰ উপায় আছে। বুদ্ধই দুখৰ আৰম্ভণি মানৱ বা জীৱৰ জন্ম আৰু দুখৰ চূড়ান্ত কাৰণ জীৱৰ মৃত্যু বুলি কৈছে। ইয়াৰ অৰ্থ হ'ল জীৱই জন্মগ্ৰহণ কৰাৰ লগে লগে দুখৰ আৰম্ভণি হয় আৰু জীৱৰ মৃত্যু হ'লে আটাইতকৈ ডাঙৰ দুখ হয়। গতিকে আমি আগতেই জানো যে আমাৰ জন্ম হৈছে, গতিকে আমাৰ মৃত্যু হ'বই। মৃত্যু হ'লেই আমি আটাইতকৈ বছি দুখ পাওঁ; কিয়নো মৃত্যু চিৰসত্য আৰু শাশ্বত। ইয়াৰ অন্তৰালত আছে জগত আৰু মায়াৰ প্ৰাচীৰ, যাৰ বাবে আমি সত্যক মানি ল'ব নিবিচাৰোঁ। অৰ্থাৎ মায়াৰ দুটা শক্তি আছে আৱৰণ আৰু আক্ষেপণ। আৱৰণে প্ৰকৃত সত্যক আবৃত কৰে আৰু বিক্ষেপণে সত্যৰ স্থানক মিছাক প্ৰকাশিত কৰে। ঠিক সেইদৰে জগত হৈছে মায়াৰ সৃষ্ট। জগতৰ কোনো সত্যতা নাই। জীৱই নিজৰ অজ্ঞতা, অজ্ঞানতা, অন্ধতা বা অবিদ্যাৰ বাবেহে জগতৰ অস্তিত্ব আছে বুলি ভাবে। জগতৰ ব্যৱহাৰিক সত্যতা আছে, অৰ্থাৎ আমি দেখা পৰিৱেশ বা পৃথিৱী সত্য কিন্তু তাৰ কোনো পাৰমাৰ্থিক সত্যতা নাই। মই মোৰ ঘৰ সাজিলোঁ, পৰিয়াল গঢ়িলোঁ, ধন গোটালোঁ, সেইটো সত্য; কিন্তু সেই ঘৰ, পৰিয়াল বা সম্পত্তি মোৰ বা মই তাৰ ফল ভোগ কৰিম, তাৰ কোনো সত্যতা নাই। সেইবাবে আমাৰ অন্তৰাত্মা বা আমাৰ অৱচেতন মন বা আমাৰ বিবেক যদিও ব্ৰহ্ম বা ব্ৰহ্মাৰ অংশ কিন্তু তাক আমি সঠিকভাৱে প্ৰয়োগ কৰিব নোৱাৰোঁ কাৰণ আমি মানুহ আৰু যাক আমি ভগৱান, ঈশ্বৰ বা আল্লা বুলি কওঁ তেওঁলোকে ব্ৰহ্মক সঠিকভাৱে ব্যৱহাৰ কৰিব পাৰে কিয়নো তেখেতসকল মায়া আৰু জগতৰ আৱৰণ বা প্ৰাচীৰৰ পৰা মুক্ত। সহজ ভাষাত ক'বলৈ গ'লে জগত হৈছে মায়াৰ সৃষ্টি আৰু মায়াৰূপী শক্তিৰ প্ৰভাৱত জগতখন প্ৰতিভাত হয়। পৰমব্ৰহ্ম বা মায়া আৰু জগতৰ প্ৰতাৰণাৰ বা আৱৰণৰ পৰা মুক্ত জীৱই হ'ল ঈশ্বৰ বা ভগৱান বা আল্লা। এই পৰমব্ৰহ্মই জগতৰ সৃষ্টিকৰ্তা, পালনকৰ্তা আৰু সংহাৰকৰ্তা। এয়াই আছিল শংকৰাচাৰ্যৰ অদ্বৈত বেদান্ত দৰ্শনৰ মূলমন্ত্ৰ।। অৰ্থাৎ বিশ্বৰ প্ৰতিটো জীৱই এই বিশ্বব্ৰহ্মাণ্ডপৰিচালনাত নিজৰ ভূমিকা গ্ৰহণ কৰে আৰু এই বিশ্বব্ৰহ্মাণ্ডৰ যি প্ৰাকৃতিক শক্তি বা মহাজাগতিক প্ৰাণশক্তি আছে সেই শক্তিত নিহিত হৈ আছে প্ৰতিটো জীৱৰে প্ৰাণ। অৰ্থাৎ প্ৰতিটো জীৱই এই বিশ্বব্ৰহ্মাণ্ডৰ একো একোটা ক্ষুদ্ৰ অংশ। গতিকে আমি যি বিচাৰোঁ বা পাবলৈ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

ইচ্ছা কৰোঁ তাকেই পাব পাৰোঁ, যদিহে আমি প্ৰকৃতিৰ নীতি অনুসৰি পৰিচালিত হওঁ। এই সত্যক ভাৰতীয় জ্ঞান ব্যৱস্থাৰ পৰা গ্ৰহণ কৰি আজি বিশ্বৰ বহুকেইখন উন্নত ৰাষ্ট্ৰই নিজকে সৃষ্টিকৰ্তা, পালন কৰ্তা আৰু সংহাৰ কৰ্তা হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছে কিন্তু আমি আজিও সেই সত্যক উপলব্ধি কৰিব নোৱাৰাৰ বাবে নিজৰ আত্মবিশ্বাসক জলাঞ্জলি দি জগত আৰু মায়াৰ মাজত আৱদ্ধ হৈ নিজৰ কৰ্মফলৰ বাবে দিনে ৰাতিয়ে নেদেখা ঈশ্বৰৰ ওচৰত শৰণাপন্ন হৈ জীৱন অতিবাহিত কৰিছোঁ। আমি যদি চঞ্চল সচেতন মনৰ চতুৰালিৰ পৰা নিজক মুক্ত কৰি অনন্ত বুদ্ধিমত্তাসম্পন্ন অৱচেতন মনৰ দ্বাৰা পৰিচালিত হওঁ তেতিয়াহে অনুভৱ কৰিব পাৰিম যে আমাৰ ভিতৰত যি শক্তি আছে সেই সৰ্বশক্তিমান আৰু ঈশ্বৰে প্ৰদান কৰা শক্তিকৈও বেছি শক্তিশালী।

ভাৰতীয় জ্ঞান পৰম্পৰাৰ পম খেদি গ'লে আমি অনুভৱ কৰিব পাৰোঁ যে তদানীন্তন কালত গুৰুগৃহৰ চোতালত বা ওখ বিৰিখৰ তলত গুৰুৱে প্ৰদান কৰা বৈদিক শ্লোক মৌখিকভাৱে শুনি, মুখস্থ কৰি আৰু পুনৰাবৃত্তি কৰি শিষ্যই জীৱন-দৰ্শন গঢ়ি তুলিছিল। আনহাতে এতিয়া অত্যাধুনিক বৈজ্ঞানিক সঁজুলি ব্যৱহাৰ কৰি বিশ্বৰ বিভিন্ন প্ৰান্তত অৱস্থিত ব্যক্তিত্বৰ মাজত ত্ৰিমাত্ৰত সঁজুলিৰ মাধ্যমত দেখা,শুনা আৰু চোৱাৰ সুবিধা লাভ কৰিছে।

**উপসংহাৰ ঃ**

এই লেখনিৰ সামৰণি পৰ্যায়ত উপনীত হৈ বহুকেইটা প্ৰশ্ন মনত উদয় হৈছে। যি অত্যাধুনিক যুগত প্ৰত্যেক ব্যক্তিয়ে সমগ্ৰ বিশ্বৰ সকলো তথ্য নিজৰ পকেটত লৈ ফুৰিছে, যি মুহূৰ্তত যি তথ্যৰ প্ৰয়োজন হৈছে, কেইছেকেণ্ডৰ ভিতৰতে জানিব পাৰিছে; বিশ্বায়ন বা গোলকীয় গাঁৱৰ কথা কোৱা হৈছে, কিন্তু সমান্তৰালভাৱে ন্যূনতম শিষ্টাচাৰ, নৈতিকতা, মানৱতা, সহায়-সহানুভূতিশীলতা, দয়া-মমতা, ক্ষমা, পৰোপকাৰ, অহিংসা, একতা,সহযোগিতা, সংহতি, শান্তি-সম্প্ৰীতি, সততা, সন্তুষ্টি, সাম্য, সুখ, সুস্থতা ইত্যাদিৰ ক্ষেত্ৰত এক বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে। কেতিয়াবা প্ৰশ্ন হয় আজিৰ যুৱ প্ৰজন্ম কোন দিশে ধাৱমান, ক'ত হেৰাল মানুহ হিচাপে থাকিব লগা ন্যূনতম মানৱীয় নীতিসমূহ বা জীৱনাদৰ্শ। বিশ্বৰ সকলো তথ্য বা খবৰ হাতৰ মুঠিত থকা সত্বেও আমাৰ জীৱন কিয় এটি যন্ত্ৰচালিত মেচিনৰ দৰে? আবেগ-বিবেকহীন প্ৰাণীৰ দৰে। জনসমাগমৰ মাজতো জনবিছিন্নৰ দৰে? দলৰ মাজতো অকলশৰীয়াৰ দৰে? কেৱল 'হায়-হেল্ল' কৈ কৃত্ৰিমভাৱে জীৱন অতিবাহিত কৰিব লগা হৈছে। ভাৰতীয় জ্ঞানৰ পৰম্পৰাই আমাক প্ৰদান কৰা জ্ঞানৰ তাৎপৰ্য উপলব্ধি কৰাত ব্যৰ্থ হোৱাৰ বাবেই ভাৰতীয় মানুহৰ জীৱনাদৰ্শ এটা নিৰ্জীৱ ৰবট সদৃশ হৈছে নে সমগ্ৰ বিশ্বৰ যুৱ সমাজ একে ৰোগত আক্ৰান্ত হৈছে যি এক অবুজ সাঁথৰ। আজিৰ যুৱ প্ৰজন্মৰ হাতত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত বিকাশে যিখিনি সুযোগ-সুবিধা, আশা-প্ৰত্যাশা আনি দিছে ঠিক সেইদৰে দ্ৰুত পৰিৱৰ্তনশীল বস্তুগত সংস্কৃতি আৰু সংমিশ্ৰিত বিশ্বসংস্কৃতিৰ বিকাশে সমগ্ৰ বিশ্বক এখন সৰু গাঁৱলৈ ৰূপান্তৰিত কৰিছে। উল্লেখনীয় যে মানৱীয় প্ৰমূল্য বজাই ৰখাৰ ক্ষেত্ৰত আজিৰ যুৱপ্ৰজন্মই এক জটিল প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে। এই মানৱীয় আৰু নৈতিক জীৱনাদৰ্শৰ অৱক্ষয় যদি অব্যাহত থাকে তেন্তে হয়তো আমি মানুহ হিচাপে নিজৰ পৰিচয় হেৰুৱাই পেলাম। শেষত সুযোগ আৰু প্ৰত্যাশা গ্ৰহণ কৰি এক সুস্থ মানৱীয় জীৱনাদৰ্শ গঢ়ি তোলাৰ প্ৰতি গভীৰভাৱে মনোনিবেশ কৰাটো আজিৰ যুৱ প্ৰজন্মৰ বাবে আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) বৰুৱা, জাহ্নৱী লহকৰ, দাস, লীলা আৰু কলিতা, উৎপল (২০১৯). শিক্ষাৰ দাৰ্শনিক ভিত্তি, সৰস্বতী প্ৰকাশন, গোলাঘাট, প্ৰথম প্ৰকাশ।

২) শৰ্মা, তৰুন কুমাৰ আৰু গোস্বামী, ৰজনী কান্ত (২০০৯). ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, বনলতা প্ৰকাশন, ডিব্ৰুগড়।

৩) শৰ্মা, মুকুল কুমাৰ (২০১১). উচ্চতৰ মাধ্যমিক শিক্ষা, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-১।

৪) Goswami, Marami (2019). Philosophical Foundation of Education : Mahaveer Publication, Dibrugarh.

৫) Murphy, Joseph (1963). The power of your subconscious mind. Published by Prentice Hall.

৬) Shankaracharya (2008). Advaita Vedanta , Geeta Press, 4th edition (Hindi Version).

********


Published by IQAC, Bahona College